।। চিৰ চেনেহী মোৰ ভাষা জননী।।

# অসম সাহিত্য সভা

## ২০২৩-২৫ বৰ্ষৰ নিৰ্বাচন সমিতি

**নিৰ্বাচনী বিষয়াৰ কাৰ্যালয় ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, অসম সাহিত্য সভা, গুৱাহাটী-১**

## সভাৰ নিৰ্বাচন সূচী

| | | |
|---|---|---|
| ১। ২৭ছেপ্টেম্বৰ | ঃ | নিৰ্বাচনী সমিতি গঠন। |
| ২। ০১অক্টোবৰ- ১৫অক্টোবৰ | ঃ | খচৰা ভোটাৰ তালিকা প্ৰকাশ আৰু ওজৰ আপত্তি গ্ৰহণ। |
| ৩। ১৬অক্টোবৰ- ১৮অক্টোবৰ | ঃ | আপত্তি-নিষ্পত্তিকৰণ আৰু চূড়ান্ত ভোটৰ তালিকা প্ৰকাশ। |
| ৪। ২০অক্টোবৰ- ২২অক্টোবৰ | ঃ | সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদৰ বাবে মনোনয়ন প্ৰ-পত্ৰ সংগ্ৰহ। |
| | ঃ | মনোনয়ন প্ৰ-পত্ৰ সভাৰ যোৰহাটস্থিত কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব লাগিব। |
| | ঃ | প্ৰতিখন মনোনয়ন প্ৰ-পত্ৰৰ বাবদ ১,০০০.০০ টকাৰ চেক (অসম সাহিত্য সভাৰ নামত) জমা দিব লাগিব। |
| | ঃ | এই সন্দৰ্ভত সংবিধানৰ **“অসম সাহিত্য সভাৰ নিৰ্বাচন সম্পৰ্কীয় নিয়ম, ২০১৮”** বলৱৎ হ’ব। |
| ৫। ২৬অক্টোবৰ - ২৭অক্টোবৰ | ঃ | মনোনয়ন প্ৰ-পত্ৰ দাখিল। |
| | ঃ | মনোনয়ন প্ৰ-পত্ৰসমূহ সভাৰ গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয়ত দিনৰ ১১ বজাৰ পৰা ২বজাৰ ভিতৰত নিৰ্বাচনী বিষয়াৰ হাতত জমা দিব লাগিব। |
| | ঃ | প্ৰত্যেক মনোনয়নপত্ৰ সভাৰ এজন স্থায়ী সদস্যই প্ৰস্তাৱকৰূপে প্ৰস্তাৱ কৰিব লাগিব আৰু ন্যূনতম ২৫ জন স্থায়ী সদস্যই সমৰ্থক হিচাপে সমৰ্থন কৰিব লাগিব। প্ৰস্তাৱক আৰু সমৰ্থক সভ্যসকলে তেওঁলোকৰ সভ্য পদৰ ক্ৰমিক নম্বৰ উল্লেখসহ প্ৰতিলিপি মনোনয়ন পত্ৰত সংলগ্ন কৰিব লাগিব। |
| ৬। ২৮ অক্টোবৰ | ঃ | মনোনয়ন প্ৰ-পত্ৰ প্ৰত্যাহাৰ। সময় দিনৰ ১১ বজাৰ পৰা ৫-০০ বজাৰ ভিতৰত |
| | ঃ | মনোনয়ন প্ৰ-পত্ৰ প্ৰত্যাহাৰৰ বাবে ন্যূনতম ১০ জন সমৰ্থকৰ স্বাক্ষৰসহ মুখ্য নিৰ্বাচনী বিষয়াক লিখিতভাৱে জনাব লাগিব। |
| ৭। ২নৱেম্বৰ- ৫নৱেম্বৰ | ঃ | জিলা আৰু শাখা পৰ্যায়ত ভোটদানৰ বাবে বেলট কাকত সংগ্ৰহ। |
| | ঃ | এই বেলত কাকতসমূহ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদকসকলে গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰি তিনিদিনৰ ভিতৰত জিলা আৰু শাখাসমূহত বিতৰণ কৰিব। এইভোটদান প্ৰক্ৰিয়া সংবিধানৰ নিৰ্বাচন সম্পৰ্কীয় নিয়ম, ২০১৮-ৰ ৪ নং দফা অনুসৰি (*প্ৰতি জিলা আৰু শাখাই ভোটদানৰ বাবে এখন সভা আহ্বান কৰিব। নৱেম্বৰ মাহৰ দ্বিতীয় দেওবাৰৰ ভিতৰত এনে সভা অনুষ্ঠিত কৰিব লাগিব। সভাত শাখাৰ-জিলাৰ কাৰ্যনিৰ্বাহকৰ ন্যূনতম ৫০ শতাংশ আৰু আজীৱন সভ্যৰ ৩০* |

ক্ৰমশঃ ২

*শতাংশ সদস্য উপস্থিত থাকিব লাগিব। সভাত গণতান্ত্ৰিক পদ্ধতিৰে প্ৰতিটো পদৰ বিপৰীতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰাৰ্থী নিৰ্বাচিত কৰিব। সভাৰ বেলট কাকত লেফাফাত ভৰাই সম্পূৰ্ণৰূপে বন্ধ কৰি ওপৰত প্ৰতিটো জোৰা ব্ৰাউন চেল’টেপেৰে চীল কৰিব। লাৰ মোহৰো ওপৰঞ্চি হিচাপে লগাব পাৰিব। এই বেলট কাকত থকা লেফাফাটো আন এটা ডাঠ লেফাফাত ভৰাই তাৰ লগত মুখ্য নিৰ্বাচনী বিষয়ালৈ সভাপতি/সম্পাদকৰ স্বাক্ষৰ আৰু মোহৰযুক্ত চিঠি দিব। উপস্থিত সভ্যৰ চহীযুক্ত তালিকাৰ মূল কপিটো দিব। এনেদৰে ভোটপত্ৰ প্ৰস্তুত কৰিব।)* প্ৰযোজ্য হ’ব।

| | | |
|---|---|---|
| ৮। ১৩ নৱেম্বৰ | ঃ | ভোটদানৰ শেষ তাৰিখ। |
| | ঃ | ভোটবাকচ গুৱাহাটী প্ৰধান ডাকঘৰ মেঘদূত ভৱনত সংস্থাপিত হ’ব। |
| ৭। ০৫ ডিচেম্বৰ | ঃ | পুৱা ১০ বজাত নিৰ্বাচনী বিষয়াৰ উপস্থিতিত ভোট বাকচ বন্ধ হ’ব। (গতিকে ৪ ডিচেম্বৰ/২২ৰ ভিতৰত পোৱাকৈ ভোট পত্ৰসমূহ ডাকযোগে অহা বেলট কাকত নিৰ্দিষ্ট ভোটবাকচত জমা হ’ব লাগিব।) ভোট বাকচ বন্ধ কৰি সেইদিনাই পাণবজাৰ থানাৰ আৰক্ষীৰ নিৰাপত্তাত ৰখা হ’ব। সেইদিনাৰ পৰা ভোট বাকচ গুৱাহাটীৰ পাণবজাৰ থানাত আৰক্ষীৰ জিম্মাত থাকিব। |
| | ঃ | ইয়াৰ পিছত কোনো বেলট কাকত গ্ৰহণ কৰা নহ’ব। |
| ৮। ...... ডিচেম্বৰ | ঃ | পুৱা ৭ বজাৰ ভিতৰত গুৱাহাটীৰ পাণবজাৰ থানাৰ পৰা আৰক্ষীৰ নিৰাপত্তাসহ ভোট বাকচ সভাৰ সপ্তম কাৰ্যনিৰ্বাহক অধিৱেশনস্থলীলৈ নিয়া হ’ব। কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচনী সমিতিয়ে নিৰ্ধাৰণ কৰা সময়ত ভোট গণনা কৰা হ’ব |
| | ঃ | ভোট গণনা কৰি নিৰ্বাচনী সমিতিয়ে নিৰ্দিষ্ট সময়ত ফলাফল ঘোষণা কৰিব। |

(হৰেন্দ্ৰনাথ বৰা)
মুখ্য নিৰ্বাচনী বিষয়া
অসম সাহিত্য সভা
২০২৩-২৫ বৰ্ষৰ নিৰ্বাচন

(ড° কুলধৰ শইকীয়া)
সভাপতি
অসম সাহিত্য সভা আৰু
২০২৩-২৫ বৰ্ষৰ নিৰ্বাচন সমিতি